**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-08-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। নীট আৰু বিভিন্ন বিষয় লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভাৰ কাৰ্যক্ৰমণিকা দিনৰ দুই বজালৈ স্থগিত ৰখা হৈছে।

২। লোকসভাত আজি আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ন্যায়াধীকৰণ সংস্কাৰ বিধেয়ক ২০২৬ উত্থাপন কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ বাসগৃহত কমনৱেল্‌থ গেমছ্‌ ২০২৬ৰ পদকজয়ী সকলৰ সৈতে মত বিনিময় কৰে।

৪। সিংহৰ প্ৰজাতি সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে আজি বিশ্ব সিংহ দিৱস পালন কৰা হৈছে।

**আৰু**

৫। নিয়োগ পৰীক্ষাত অনিয়মৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি ঝাৰখণ্ডত আজি ছাত্ৰ-ছাত্ৰীসকলে ঝাৰখণ্ড বিধানসভালৈ সমদল উলিয়ায়।

০০০০০০০০০

নীটৰ বিষয়ক লৈ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ ভূমিকাকে ধৰি বিভিন্ন বিষয় লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰখা হয়।

১২ বজাত সদন পুনৰ মিলিত হোৱাৰ পাছত আইন আৰু ন্যায় দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ন্যায়াধীকৰণ সংস্কাৰ বিধেয়ক, ২০২৬ সদনত উত্থাপন কৰে। এই বিধেয়কৰ জৰিয়তে ন্যায়াধিকৰণৰ প্ৰশাসনীয় কাম-কাজ শক্তিশালী কৰাৰ উপৰি ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু সদস্যসকলৰ নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতা আৰু সামঞ্জস্য বৰ্তাই ৰখাৰ লক্ষ্য লোৱা হৈছে। এই বিধেয়কৰ জৰিয়তে ৰাষ্ট্ৰীয় ন্যায়াধিকৰণ আয়োগ গঠনৰো প্ৰস্তাৱ দিয়া হৈছে। কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে সদনত খনি আৰু খনিজ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক, ২০২৬ উত্থাপন কৰে। ইয়াৰ জৰিয়তে ১৯৫৭ চনৰ খনি আৰু খনিজক উন্নয়ন আৰু নিয়ামক আইনৰ সংশোধনী বিচৰা হৈছে। সমবায় দপ্তৰৰ ৰাজ্যমন্ত্ৰী মুৰলীধৰ মহলে আজি লোকসভাত ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম (সংশোধনী) বিধেয়ক ২০২৬ উত্থাপন কৰে। ইয়াৰ জৰিয়তে ১৯৬২ চনৰ ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম আইনৰ সংশোধনীৰ প্ৰস্তাৱ দিয়া হৈছে। ইয়াৰ পাছতে সদন পৰিচালনাৰ দায়িত্ব থকা বিষয়া সন্ধ্যা ৰায়ে প্ৰতিবাদকাৰী বিৰোধী দলৰ সদস্যসকলক নিজৰ আসনলৈ গৈ সদনৰ কাম সুকলমে পৰিচালনাত সহায় কৰিবলৈ আহ্বান জনায়। বিৰোধী সদস্যসকলে নীটৰ বিষয়ক লৈ প্ৰতিবাদকাৰী শিক্ষাৰ্থীৰ

ওপৰত আৰক্ষীৰ ভূমিকা সন্দৰ্ভত গৃহমন্ত্ৰী অমিত শ্বাহৰ বিবৃতি বিচাৰি হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত সদন পৰিচালনাৰ দায়িত্ব থকা বিষয়া এন কে প্ৰেমচন্দ্ৰনে প্ৰশ্নকাল আৰম্ভ কৰাৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ ভূমিকাৰ বিষয়টো উত্থাপন কৰে। বিৰোধী সদস্যসকলে এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰা এটা বিবৃতিৰ দাবী জনায়। ইয়াৰ পাছতো হুলস্থূলীয়া পৰিবেশ বাহাল থকাত শ্ৰীপ্ৰেমচন্দ্ৰনে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ঘোষণা কৰে।

ৰাজ্যসভাতো আজি একে বিষয়ক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়। দিনৰ ১১ বজাত উচ্চ সদন মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীসকলে সদনত তেওঁলোকৰ সংশ্লিষ্ট মন্ত্ৰালয়ৰ প্ৰতিবেদনসমূহ দাখিল কৰে। বিত্ত সন্দৰ্ভত সংসদীয় সমিতিৰ সৈতে জড়িত বিভাগৰ প্ৰতিবেদন, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, ৰে'লৱে, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ প্ৰতিবেদনো দাখিল কৰা হয়। ইয়াৰ পাছত সভাপতি চি পি ৰাধাকৃষ্ণণে শূন্যকাল আৰম্ভ কৰে। বিজেপিৰ সাংসদ তৰুণ চুঘে পঞ্জাৱৰ আইন-শৃংখলা পৰিস্থিতি বিঘ্নিত হোৱা আৰু বৰ্ধিত মাদক দ্ৰব্যৰ ব্যৱহাৰৰ বিষয়টো সদনত উত্থাপন কৰে। তেওঁ কয় যে পঞ্জাৱৰ যুৱক-যুৱতীসকলৰ ক্ৰমশঃ মাদক দ্ৰব্যৰ প্ৰতি আসক্তি বৃদ্ধি পাইছে আৰু ইয়াৰ ফলত ৰাজ্যখনত অপৰাধী কাৰ্যকলাপো বাঢ়িছে। অধিক পৰিমাণে মাদক দ্ৰব্য সেৱনৰ ফলত বিগত এটা বছৰত ৮৯জন লোকে প্ৰাণ হেৰুওৱা বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে। ইমনৰ পাছতো পঞ্জাৱ চৰকাৰে মাদক দ্ৰব্যৰ ভয়াবহতা ৰোধৰ ক্ষেত্ৰত কোনো ধৰণৰ কাৰ্যকৰী ব্যৱস্থা লোৱা নাই বুলি শ্ৰীচুঘে অভিযোগ তোলে। বিজেপিৰ আন এগৰাকী সাংসদ বাবুভাই জেছংভাই দেশাইয়ে গুজৰাটত চাণ্ডিপুৰা ভাইৰাছ সংক্ৰমণৰ বিষয়টো উত্থাপন কৰি চৰকাৰক এই ৰোগ প্ৰতিৰোধৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত সজাগতা অভিযান চলাবলৈ আহ্বান জনায়। চি পি আইৰ সাংসদ সন্তোষ কুমাৰ, বিজেপিৰ সাংসদ বিশ্বজিৎ সিনহা আৰু ড০ কে লক্ষ্মণে কেইবাটাও ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় সদনত উত্থাপন কৰে। ইয়াৰ পাছত বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন শ্লোগানেৰে হুলস্থূলীয়া পৰিস্থিতি সৃষ্টি কৰাত সভাপতিয়ে সদনক কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ঘোষণা কৰে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ বাসগৃহত কমনৱেল্থ গেমছ ২০২৬ৰ পদকজয়ী সকলৰ সৈতে মত বিনিময় কৰে। এই সাক্ষাৎকালত কমনৱেল্থ গেমছৰ বিজেতাসকলে প্ৰধানমন্ত্ৰীক তেওঁলোকৰ অভিজ্ঞতাৰ বিষয়ে প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে খেলুৱৈসকলৰ প্ৰত্যেকেই তেওঁলোকৰ অনবদ্য প্ৰদৰ্শনৰ জৰিয়তে দেশক গৌৰৱান্বিত কৰিছে আৰু তেওঁলোকৰ সফলতাই বহু যুৱক-যুৱতীক অনুপ্ৰাণিত কৰিব। প্ৰধানমন্ত্ৰীয়ে এথলীটসকলক খেলো ইণ্ডিয়াৰ সন্মান বঢ়াবলৈ উৎসাহিত কৰে। ভাৰোত্তোলক ছাইখ'ম মীৰাবাঈ চানুৰ সৈতে মত-বিনিময় কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁৰ সাফল্যই ভৱিষ্যৎ প্ৰজন্মৰ বাবে অসাধাৰণ অনুপ্ৰেৰণা হিচাপে কাম কৰিব।

**বাইট (পি এম)**

এই সাক্ষাৎকালত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া আৰু ৰাজ্য মন্ত্ৰী ৰক্ষা খাড়ছে উপস্থিত থাকে। গ্লাছগ'ত অনুষ্ঠিত চলিত বৰ্ষৰ কমনৱেল্থ গেমছত ১৩টা সোণ, ১৭টা ৰূপ আৰু ৯টা ব্ৰঞ্জসহ মুঠ ৩৯টা পদক জয়েৰে ভাৰত প্ৰতিযোগিতাৰ চতুৰ্থ স্থানত থাকে।

ooooooooo

আজি বিশ্ব সিংহ দিৱস। সিংহৰ প্ৰজাতি সংৰক্ষণৰ প্ৰতি বিশ্বজুৰি সজাগতা সৃষ্টিৰ বাবে প্ৰতিবছৰে ১০ আগষ্টত এই দিৱস পালন কৰা হয়। ২০১৩ চনত আৰম্ভ হোৱা এই দিৱস পালনৰ জৰিয়তে সংকুচিত হৈ অহা সিংহৰ বিচৰণ ভূমি তথা মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাতৰ ফলত সৃষ্টি হোৱা ভাবুকিক প্ৰতিহত কৰাৰ বাবে প্ৰয়াস কৰা হয়। বিশেষকৈ আফ্ৰিকা আৰু এছিয়াৰ সিংহ প্ৰজাতিসমূহ সংৰক্ষণৰ বাবে এই দিৱসৰ জৰিয়তে গুৰুত্ব আৰোপ কৰা হয়।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সিংহ প্ৰজাতি সংৰক্ষণৰ সৈতে জড়িত কৰ্মীসকলক এই দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীবিৰলাই কয়, যে ভাৰতত এছীয় প্ৰজাতিৰ সিংহৰ সংখ্যা ২০২০ চনত ৬৭৪ৰ পৰা ২০২৫ চনত ৮৯১ লৈ বৃদ্ধি পাইছে। ৫ বছৰত ৩২ দশমিক ২—০ শতাংশ বৃদ্ধিৰে ভাৰতৰ বনাঞ্চলত সুৰক্ষিত হৈ থকা এই সিংহৰ প্ৰজাতিক ৰক্ষা কৰাটো কেৱল দায়িত্বই নহয় বৰং গোলকীয় পৰ্যায়ত বন্য জীৱজন্তু সংৰক্ষণৰ ক্ষেত্ৰত ই বৃহৎ বৰঙণি বুলিও তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতত এছীয় প্ৰজাতিৰ সিংহৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে ইয়াৰ বিচৰণ ভূমিও প্ৰসাৰিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দৰ যাদৱে লিখা এটা নিবন্ধ সামাজিক মাধ্যমত শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শক্তিশালী সামূহিক অংশগ্ৰহণৰ জৰিয়তে দেশৰ বনাঞ্চল আৰু বন্য জীৱজন্তু সংৰক্ষণ কৰি ভৱিষ্যৎ প্ৰজন্মলৈ সুৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত চৰকাৰ বদ্ধপৰিকৰ। উল্লেখযোগ্য যে বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী শ্ৰীযাদৱে নিজৰ নিবন্ধত উল্লেখ কৰা মতে দেশৰ ১১ খন জিলাত সিংহৰ বিচৰণ ক্ষেত্ৰ ২০২০ চনত ৩০ হাজাৰ বৰ্গ কিলোমিটাৰৰ পৰা ৩৫ হাজাৰ বৰ্গ কিলোমিটাৰলৈ বৃদ্ধি হৈছে। এই পৰিসংখ্যাৰ লগতে ২০১৫ চনত সিংহৰ সংখ্যা ৫২৩ৰ পৰা ২০২৫ চনত ৮৯১ লৈ বৃদ্ধিয়ে দেশৰ বন্য জীৱজন্তু সংৰক্ষণৰ সফল যাত্ৰাকে সূচাইছে বুলি তেওঁ মন্তব্য কৰে।

ইপিনে কেন্দ্ৰীয় বনমন্ত্ৰী ভূপেন্দৰ যাদৱে সিংহৰ প্ৰজাতিৰ সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতৰ সফলতা জৈৱ বৈচিত্ৰ্য আৰু বনাঞ্চল সংৰক্ষণৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাকে প্ৰতিপন্ন কৰিছে বুলি মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাত তেওঁ কয়, যে এই সফলতাৰে ভাৰতে উন্নয়ন আৰু প্ৰকৃতি সংৰক্ষণৰ প্ৰচেষ্টা সমান্তৰালভাৱে কৰাটো সম্ভৱ বুলি প্ৰমাণিত কৰিছে।

০০০০০০০০০

ঝাৰখণ্ডত আজি ছাত্ৰ-ছাত্ৰীসকলে নিয়োগ পৰীক্ষাত অনিয়মৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি জয়পাল সিং মুণ্ডা ষ্টেডিয়ামৰ পৰা ঝাৰখণ্ড বিধানসভালৈ সমদল উলিয়ায়। ঝাৰখণ্ড লোকসেৱা আয়োগ আৰু ঝাৰখণ্ড ষ্টাফ চিলেকচন কমিছন সংস্কাৰ মঞ্চ নেতৃত্বাধীন ছাত্ৰৰ প্ৰতিবাদে আজি সপ্তদশ দিনত প্ৰবেশ কৰিছে। প্ৰতিবাদকাৰীসকলে কেতবোৰ পৰীক্ষা বিশেষকৈ জে এছ এছ চি-চি জি এল পৰীক্ষা বাতিলৰ লগতে এই অনিয়মৰ বিৰুদ্ধে চি বি আই তদন্তৰ দাবী জনাইছে। চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ ৯৮ শতাংশ দাবী গ্ৰহণ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। ইপিনে, বিৰোধী পক্ষৰ নেতা বাবুলাল মাৰাণ্ডী আৰু ৰাজ্যিক বিজেপিৰ সভাপতি আদিত্য চাহুকে ধৰি বিজেপিৰ কেইবাগৰাকী নেতাক মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ বাসগৃহৰ বাহিৰত প্ৰতিবাদ কৰাৰ সময়ত আটক কৰা হয়।

ছাত্ৰ প্ৰতিবাদৰ মাজতে কালি ঝাৰখণ্ড লোকসেৱা আয়োগৰ তিনিজন সদস্যই পদত্যাগ কৰে। ঝাৰখণ্ড লোকসেৱা আয়োগৰ সদস্য অজিতা ভট্টাচাৰ্য, জামিল আহমেদ আৰু অনিমা হাচদাই ৰাজ্যপাল সন্তোষ কুমাৰ গংৱাৰক কালি পদত্যাগ পত্ৰ দাখিল কৰে।

০০০০০০০০০

*সমাপ্ত*